# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-04-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
**- - - - - - -**

বিজেপিয়ে ৪০০ খনতকৈ অধিক আসন লাভ কৰিলে সংৰক্ষণ ব্যৱস্থাৰ অৱসান ঘটাব বুলি কংগ্ৰেছে ভুৱা প্ৰচাৰ চলোৱা বুলি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অভিযোগ তুলিছে। গুৱাহাটীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে অভিযোগ কৰে। শ্ৰী শ্বাহে কয় যে এই দাবী সম্পূৰ্ণ ভিত্তিহীন। তেওঁ কয় যে বিজেপিয়ে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ পোষকতা কৰে। বিজেপিয়ে সমগ্ৰ দেশত ভাল সঁহাৰি লাভ কৰা বুলিও নেতাগৰাকীয়ে দাবী কৰে।

কৰ্ণাটকৰ হাছান সংসদীয় সমষ্টিৰ প্ৰাৰ্থী প্ৰজ্বল ৰেৱান্নাৰ অশালীন ভিডিঅ' সম্পৰ্কীয় অভিযোগ সন্দৰ্ভত বিজেপিৰ স্থিতি স্পষ্ট কৰি শ্ৰী শ্বাহে কয় যে, তেওঁৰ দলে মহিলাৰ বিৰুদ্ধে যিকোনো অপৰাধ সহ্য নকৰে আৰু বিষয়টো সন্দৰ্ভত আৰক্ষীৰ তদন্তৰ পোষকতা কৰে। মহিলাৰ বিৰুদ্ধে এনেধৰণৰ অপৰাধৰ সৈতে জড়িত ব্যক্তিক কঠোৰ শাস্তি বিহিব লাগে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

ৰাজ্যত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে। সেই অনুসৰি বিভিন্ন জিলাত ভোটদাতাৰ সজাগতাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ফ্লাইং স্কোৱাড আৰু নিৰীক্ষণকাৰী দলসমূহে নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ধৰা পেলোৱাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। নিৰ্বাচন হ'বলগীয়া ৪ টা সমষ্টি গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীৰ অন্তৰ্গত অঞ্চলসমূহত নিৰ্বাচন বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত যুৱ ভোটদাতাসকলক ভোটদানৰ বাবে আগ্ৰহী কৰি তুলিবলৈ বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। ইপিনে, নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে ভোটগ্ৰহণ হ'বলগীয়া কেন্দ্ৰসমূহত নিৰ্বাচনী আয়োগৰ নিৰ্দেশনামৰ্মে সুৰক্ষা ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ জিলা নিৰ্বাচন বিভাগসমূহে নিশ্চিত কৰিছে। প্ৰতিটো ভোটকেন্দ্ৰলৈ আহি ভোটদান কৰাৰ বাবে ইচ্ছুক জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক ভোটদানৰ সুবিধা কৰি দিয়াৰ বাবেও উপযুক্ত ব্যৱস্থা লোৱা হ'ব। তদুপৰি ৫০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। একেদৰে নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰী আৰু ই ভি এম কঢ়িয়াই নিয়া বাহনসমূহত জি পি এছ সংলগ্ন কৰা হ'ব।

০০০০০

তামুলপুৰ জিলাৰ কুমাৰীকাটাৰ পৰা চলিত বছৰত হজলৈ ৰাওনা হোৱা লোকসকলক সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থাই সম্বৰ্ধনা জনায়। সন্থাই হজ যাত্ৰীসকলৰ ঘৰে ঘৰে গৈ ইছলামিক ৰুমাল, টুপী আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে হজলৈ গৈ ৰাইজৰ মংগলৰ বাবে দোৱা কৰিবলৈ আহ্বান জনায়।

০০০০০

ৰাজ্যৰ চাৰিটা সমষ্টি ক্ৰমে গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত ৭ মে'ত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। এই চাৰিটা সমষ্টিত বৰ্তমান বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ লগতে নেতা-কৰ্মীসকলে প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন আকৰ্ষণৰ চেষ্টা কৰিছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দুধনৈ, চমৰীয়াকে আদি কৰি বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ কাৰ্যত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চমৰীয়াৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি ৰাইজৰ সহযোগ, সঁহাৰি প্ৰত্যক্ষ কৰি উৎসাহিত হোৱা বুলি প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বাক্সাৰ থমনাত আজি কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰ চলায়। সাংবাদিকৰ আগত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, জনসাধাৰণৰ সহযোগিতাই মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ জয় নিশ্চিত কৰিছে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে, কেন্দ্ৰীয় চৰকাৰৰ আৰু ৰাজ্য চৰকাৰৰ কাৰ্যৰ বাবে জনসাধাৰণ অতি আনন্দিত।

আনহাতে, বাক্সাৰ চূণবাৰী আৰু শালবাৰীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰ কাৰ্য চলায়। মন্ত্ৰী ব্ৰহ্মই সংবাদ মাধ্যমৰ উল্লেখ কৰে যে, প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ১০ খন আসনেই লাভ কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

০০০০০

বৰপেটা চহৰৰ গায়নহাটীৰ নিবাসী সাংস্কৃতিক সংগঠক অধৰ চন্দ্ৰ গায়নৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ।

০০০০০

সমাপ্ত